**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজকোটত কচ্ছ আৰু সৌৰাষ্ট্ৰৰ প্ৰাণৱন্ত গুজৰাট আঞ্চলিক সন্মিলন মুকলি কৰে।

২। চৰকাৰে দেশখনক আত্মবিশ্বাসী, উচ্চাকাংক্ষী আৰু আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব বিচাৰিছে বুলি গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰে।

৩। ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাই যুৱক-যুৱতীসকল দেশৰ প্ৰকৃত মূলধন বুলি উল্লেখ কৰিছে।

৪। জম্মু-কাশ্মীৰত ৰাজৌৰি আৰু পুঞ্চ জিলাক কাশ্মীৰ উপত্যকাৰ ছপিয়ানৰ লগত সংযুক্ত কৰা ঐতিহাসিক মোগল ৰোড পুনৰ মুকলি কৰি দিয়া হৈছে।

***আৰু***

৫। বডোডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক জয়ৰ বাবে নিউজিলেণ্ডে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজকোটৰ মাৰোৱাৰী বিশ্ববিদ্যালয়ত কচ্ছ আৰু সৌৰাষ্ট্ৰৰ প্ৰাণৱন্ত গুজৰাট আঞ্চলিক সন্মিলন মুকলি কৰে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই সন্মিলনৰ জৰিয়তে কচ্ছ আৰু সৌৰাষ্ট্ৰৰ ১২ খন জিলাত প্ৰগতি, উদ্ভাৱন তথা বিনিয়োগ ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজকোটত বিশেষ চিকিৎসা আহিলাৰ কেন্দ্ৰ মুকলি কৰাৰ লগতে সৌৰাষ্ট্ৰৰ ৭ খন জিলাত ১৩ টা নতুন গ্ৰীণফিল্ড স্মাৰ্ট ঔদ্যোগিক প্ৰাংগণ ভাৰ্চুৱেল পদ্ধতিৰে মুকলি কৰে। অনুষ্ঠানত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰী মোদীয়ে কয়, যে প্ৰাণৱন্ত গুজৰাট শীৰ্ষ সন্মিলন, আন্তৰ্জাতিক প্ৰগতি, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা মিত্ৰতাৰ ক্ষেত্ৰত শক্তিশালী মঞ্চ হিচাপে পৰিগণিত হৈছে। বিশ্ব দৰবাৰত গুজৰাটৰ সম্ভাৱনাক প্ৰতিফলিত কৰাৰ হকে শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে। গুজৰাটত বিনিয়োগ কৰাৰ বাবে বিনিয়োগৰাকীসকলক উৎসাহিত কৰাৰ লগতে ইয়াৰ জৰিয়তে দেশ উপকৃত হ'ব বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে। বিগত কেইবছৰমানত গুজৰাটত বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিনিয়োগকাৰীৰ সংখ্যা বৃদ্ধি হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ সদায় অনুষ্ঠানটোৰ উদ্দেশ্যৰ সৈতে সহমত পোষণ কৰি আহিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিখ্যাত উদ্যোগপতি মুকেশ আম্বানিয়ে প্ৰধানমন্ত্ৰীগৰাকীক প্ৰশংসা কৰি কয়, যে স্বাধীন ভাৰতৰ ইতিহাসত দেশখনে কেতিয়াও আশা আৰু ইতিবাচক পৰিৱেশৰ অভিজ্ঞতা লাভ কৰা নাই। তেওঁ শ্ৰী মোদীৰ শাসনকালছোৱাক সম্ভাৱনা আৰু প্ৰদৰ্শনৰ কাল বুলি অভিহিত কৰে। আন এগৰাকী উদ্যোগপতি বালকৃষ্ণণ গোপীৰাম গোৱেংকাই কয়, যে বিশ্বৰ সৰ্ববৃহৎ ঘৰুৱা বস্ত্ৰ প্ৰতিষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত কচ্ছ জিলিকি থাকিব। গুজৰাটৰ হকে কৰা প্ৰশংসনীয় কামৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰচেষ্টা, দৃষ্টিভংগী আৰু নেতৃত্বৰ শলাগ লয়। এই সন্মিলনত এহেজাৰ ৫০০তকৈও অধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ জৰিয়তে আঞ্চলিক অৰ্থনীতি ত্বৰান্বিত হ'ব বুলি আশা কৰিব পাৰি। সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত মুকেশ আম্বানী, কৰণ আদানী আৰু বি কে গোৱেংকাকে ধৰি বিশিষ্ট ঔদ্যোগিক নেতাসকলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে গুজৰাট ভ্ৰমণৰ দ্বিতীয়দিনা আজি ৰাজকোটত প্ৰাণৱন্ত গুজৰাট বাণিজ্যিক প্ৰদৰ্শনীও উদ্বোধন কৰে। কৃষি, খাদ্য প্ৰসংস্কৰণ, মীন, প্ৰতিৰক্ষাৰ লগতে শক্তি আৰু ৰচদপাতিকে ধৰি বিভিন্ন খণ্ডৰ কৰ্ণধাৰসকলে এই প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি পুৱাৰ ভাগত ঐতিহাসিক **সোমনাথ স্বাভিমান পৰ্ব**ৰ অংশস্বৰূপে প্ৰভাস পাটানত অনুষ্ঠিত শৌৰ্য্য যাত্ৰাত ভাগ লয়। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভক্তিপ্ৰাণ লোকে এই যাত্ৰাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীয়ে সোমনাথ মন্দিৰৰ সুৰক্ষাৰ বাবে জীৱন আহুতি দিয়া অগণন যোদ্ধালৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ সোমনাথ মহাদেৱৰ প্ৰতি প্ৰাৰ্থনা জনোৱাৰ লগতে পূজাও আগবঢ়ায়।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে দেশখনক আত্মবিশ্বাসী, উচ্চাকাংক্ষী আৰু আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব বিচাৰিছে। প্ৰত্যেকখন ৰাজ্যই নিজৰ সম্ভাৱনা উপলব্ধি কৰি এই লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে। থিৰুৱনন্তপুৰমত নতুন ভাৰত, নতুন কেৰালা সন্মিলন উদ্বোধন কৰি তেওঁ আয়ুৰ্বেদ, তথ্য-প্ৰযুক্তি, পৰ্যটন আৰু ক্ৰীড়াৰ দৰে খণ্ডত ৰাজ্যখনৰ প্ৰগতিৰ প্ৰশংসা কৰে। এল ডি এফ আৰু ইউ ডি এফ চৰকাৰে ৰাজ্যখনত ৰাজনৈতিক স্থবিৰতাৰ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে কেৰালাই বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ জৰিয়তে প্ৰগতিৰ দিশে ধাৱিত হ'ব পাৰে। সবৰিমালা স্বৰ্ণ চুৰি কাৰ্যৰ অনুসন্ধানৰ দায়িত্ব এটা নিৰপেক্ষ সংস্থাক দিয়া উচিত বুলিও তেঁও মত প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ স্থানীয় নিকায়সমূহত নৱ-নিৰ্বাচিত বিজেপিৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে। শ্ৰী শ্বাহে থিৰুৱনন্তপুৰমৰ শ্ৰী পদ্মনাভ স্বামী মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়।

০০০০০০০

দুদক্ষ প্ৰশাসন আৰু সময়ানুৱৰ্তী ৰূপায়ণৰ বাবে সূচনা কৰা প্ৰধানমন্ত্ৰীৰ ধবজাবাহী মঞ্চ - প্ৰগতিৰ ৫০ সংখ্যক বৈঠকৰ সফল সমাপ্তিৰ লগে লগে অনুষ্ঠানটো উল্লেখযোগ্য অগ্ৰগতিৰ দিশে আগবাঢ়িছে। ২০১৫ চনৰ সূচনা কালৰে পৰা প্ৰগতিয়ে প্ৰধানমন্ত্ৰীৰ পোনপটীয়া পৰ্যবেক্ষণৰ জৰিয়তে ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি তথা মুখ্য আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ সংস্কাৰ সাধনৰ মাধ্যমেৰে প্ৰশাসন ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাইছে। ইয়াৰ জৰিয়তে কেন্দ্ৰ, ৰাজ্য তথা মন্ত্ৰ্যালয়সমূহৰ একক ডিজিটেল মঞ্চত একত্ৰিত কৰি সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ নিদৰ্শন দাঙি ধৰিছে। বিগত দশকটো ধৰি প্ৰগতিয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগতে আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহ ৰূপায়ণত হোৱা বিলম্ব আঁতৰ কৰাৰ উপৰি দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত শক্তিশালী সংস্কৃতি গঢ়ি তুলিছে।

০০০০০০০

ভাৰতীয় মহাকাশচাৰী তথা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আজি কয়, যে যুৱক-যুৱতীসকল হৈছে দেশৰ প্ৰকৃত মূলধন। নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত YOUNG LEADERS DIALOGUE, ২০২৬-ত অংশগ্ৰহণ কৰি শ্ৰী শুক্লাই এইদৰে কয়। সফলতাৰ বাবে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ গ্ৰুপ কেপ্তেইনগৰাকীয়ে যুৱক-যুৱতীসকলক পৰামৰ্শ দিয়ে। ভাৰতীয় মহাকাশচাৰীগৰাকীয়ে ভাৰতীয় যুৱক-যুৱতীসকলক সাহসী বুলি অভিহিত কৰে। এই অনুষ্ঠানত যুৱ-পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাদ্‌চে আৰু ইছৰ'ৰ জ্যেষ্ঠ বিজ্ঞানী প্ৰশান্ত মিশ্ৰইও অংশগ্ৰহণ কৰে।

০০০০০০০

শ্ৰীমদ বিজয়াৰত্ন সুন্দৰ সুৰিশ্বৰজী মহাৰাজে তেওঁৰ জ্ঞান কেৱল গ্ৰন্থতেই সীমাৱদ্ধ নাৰাখি নিজৰ জীৱনত এয়া প্ৰদৰ্শন কৰি সকলোকে উৎসাহিত কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আধ্যাত্মিক নেতা তথা জৈন সাধু শ্ৰীমদ বিজয়াৰত্ন সুন্দৰ সুৰিশ্বৰজী মহাৰাজে ৫০০ সংখ্যক গ্ৰন্থখন উন্মোচনী অনুষ্ঠানত দিয়া ভিডিঅ' বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে শ্ৰী মহাৰাজৰ ব্যক্তিত্ব হৈছে আত্মসংযম, সৰলতা আৰু স্পষ্টতাৰ সুন্দৰ সংমিশ্ৰণ। এই গ্ৰন্থখনত গভীৰ জ্ঞান তথা দৃষ্টিভংগী নিহিত হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে গ্ৰন্থখনত মানৱ জীৱনৰ সকলো সমস্যাৰ সৰল আৰু আধ্যাত্মিক সমাধান আছে।

০০০০০০০

জম্মু-কাশ্মীৰত ৰাজৌৰি আৰু পুঞ্চ জিলাক কাশ্মীৰ উপত্যকাৰ ছপিয়ানৰ লগত সংযুক্ত কৰা ঐতিহাসিক মোগল ৰোড আজি পুনৰ মুকলি কৰি দিয়া হৈছে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যোৱা ৭ দিন ধৰি এই পথছোৱা বন্ধ ৰখা হৈছিল। মোগল ৰোডৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অনিল কুমাৰে কয়, যে তুষাৰপাতৰ ফলত পিছল হৈ পৰা পথছোৱা সুৰক্ষাৰ প্ৰতি দৃষ্টি ৰাখি বন্ধ কৰি দিয়া হৈছিল। যাত্ৰীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে পুৱা চাৰে দহ বজাৰ পৰা দুপৰীয়া আঢ়ৈ বজালৈ যান-বাহন চলাচলৰ অনুমতি দিয়া হৈছে।

০০০০০০০

কলকাতাৰ I-PAC ৰাজনৈতিক পৰামৰ্শ সংস্থাৰ কাৰ্যালয়ত বিধি বলৱৎকাৰী সঞ্চালকালয়ে চলোৱা অনুসন্ধানকালত তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে হস্তক্ষেপ কৰাৰ কথা উল্লেখ কৰি বিজেপিয়ে তেওঁক সমালোচনা কৰিছে। নতুন দিল্লীত এখন সংবাদমেলত জ্যেষ্ঠ বিজেপিৰ নেতা ৰবিশংকৰ প্ৰসাদে মুখ্যমন্ত্ৰীগৰাকীক সংস্থাটোৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ সিদ্ধান্ত লোৱা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰি কয়, যে সংস্থাটোৰ কাৰ্যালয় কোনো দলীয় নেতাৰ আবাসগৃহ বা তৃণমূল কংগ্ৰেছৰ কাৰ্যস্থলী নহয়। তেওঁ লগতে পশ্চিমবংগ বিধানসভাৰ বিৰোধী দলৰ নেতা শুভেন্দু অধিকাৰীৰ কনভয়ত আৰক্ষীৰ উপস্থিতিতেই কালি দুৰ্বৃত্তই আক্ৰমণ কৰাৰ অভিযোগ তোলে। এই ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দি তেওঁ কয়, যে ঘটনা সন্দৰ্ভত এজাহাৰ দাখিলৰ চেষ্টা চলোৱা হৈছিল যদিও কোনো গোচৰ ৰুজু কৰা নহ'ল। তেওঁ পশ্চিমবংগৰ সমগ্ৰ আৰক্ষী প্ৰশাসন ব্যৱস্থা মুখ্যমন্ত্ৰীৰ নিৰ্দেশত চলে বুলি অভিযোগ কৰে।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি কেৰালাৰ থিৰুৱনন্তপুৰমত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মিছন, ২০২৬-ৰ শুভাৰম্ভ কৰে। থিৰুৱনন্তপুৰমৰ উদয় পেলেচ কনভেনচন কেন্দ্ৰত স্থানীয় পৌৰ নিগমৰ নিৰ্বাচিত বিজেপি সদস্যসকলক সম্বোধন কৰি তেওঁ কয়, যে বিকশিত কেৰালাৰ বাবে ৰাজ্যত বিজেপি চৰকাৰ থকাটো অতি প্ৰয়োজনীয়। শ্ৰী শ্বাহে কয়, যে বিকশিত ভাৰতৰ পথ বিকশিত কেৰালাৰ যোগেৰেহে সম্ভৱ।

০০০০০০০

আমেৰিকাই ছিৰিয়াৰ বিভিন্ন অঞ্চলৰ ইছলামিক ষ্টেট -আই এছ্ আই এছ্ৰ ঘাটিত আক্ৰমণ কৰে। যোৱামাহত পালমাইৰাত সংঘটিত আই এছ্ আই এছ্ৰ আক্ৰমণৰ প্ৰত্যুত্তৰত এই আক্ৰমণ কৰা হয়। উল্লেখযোগ্য যে পালমাইৰাত সংঘটিত আক্ৰমণত আমেৰিকাৰ দুজন সৈনিক আৰু এজন নাগৰিক নিহত হৈছিল। আমেৰিকাৰ কেন্দ্ৰীয় কামাণ্ডে কয়, যে যোৱানিশা আমেৰিকাই সহযোগী সেনাবাহিনীৰ সৈতে বৃহৎ পৰিসৰত কেইবাটাও ঘাটিক লক্ষ্য কৰি এই আক্ৰমণ সংঘটিত কৰে। পাছত জৰ্দানৰ সেনা বাহিনীয়েও এই আক্ৰমণত ভাগ লোৱাৰ কথা ঘোষণা কৰে। ট্ৰাম্প প্ৰশাসনে এই আক্ৰমণক অপাৰেচন HAWK-EYE নামেৰে নামকৰণ কৰে।

০০০০০০০

গুজৰাটৰ বডোডৰাত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আলহী দল নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেট ধৰা নিউজিলেণ্ডে নিৰ্ধাৰিত অ'ভাৰত ৮টা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ডেৰিল মিছেলে ৮৪, হেনৰী নিকলছে ৬২ আৰু ডেভন কনৱেই ৫৬ ৰান কৰে। শেষৰফালে ক্ৰিষ্টিয়ান ক্লাৰ্কে ১৭টা বলত ২৪ ৰান কৰি অপৰাজিত হৈ ৰয়। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, হৰ্ষিত ৰাণা আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ১৭ অ'ভাৰত এটা উইকেটৰ বিনিময়ত ১০৮ ৰান কৰি খেলি আছে।

০০০০০০০

সমাপ্ত